কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৬/২০২২-২৩
*Ref :*

তাৰিখ : ২৩-১১-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ত ‘লাচিত দিৱস’ উদ্‌যাপন
## ‘লাচিত বৰফুকন’ শীৰ্ষক গ্ৰন্থ উন্মোচন

**নুনমাটি, গুৱাহাটী, ২৩ নৱেম্বৰ ঃ** ‘লাচিত অসমীয়া জাতিৰ স্বাভিমান। অসমীয়া জাতিৰ সংকটকালত বীৰ লাচিতে দেখুওৱা পৰাক্ৰম, কৰ্তব্যনিষ্ঠা, দেশপ্ৰেমৰ আদৰ্শ নতুন পুৰুষে প্ৰতিদিনেই অনুসৰণ কৰা উচিত।’ বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে অসম জাতীয় বিদ্যালয়ত আয়োজিত অনুষ্ঠানত আদৰণী ভাষণ দি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লাচিতৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ছাত্ৰ-ছাত্ৰীসকলক নিজ কৰ্তব্যত হেলা নকৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্য চৰকাৰে মহান বীৰ গৰাকীৰ জয়ন্তী ৰাষ্ট্ৰীয় পৰ্য্যায়তো উদ্‌যাপন কৰাতো গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে উদ্‌যাপন কৰি অহা মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জয়ন্তীৰ অংশ স্বৰূপে কামৰূপ মহানগৰ জিলা প্ৰশাসনে জিলাখনৰ কেইবাখনো অনুষ্ঠানৰ লগতে অসম জাতীয় বিদ্যালয়তো বিশেষ অনুষ্ঠান আয়োজন কৰাৰ দায়িত্ব অৰ্পণ কৰিছিল। সেইমৰ্মে আজি বিদ্যালয়ত Thematic Presentation based on Bir Lachi Barphukan শীৰ্ষকেৰে লাচিত দিৱসৰ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বীৰ লাচিতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী অনুযা গোস্বামীয়ে। বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী সোণালী গগৈয়ে আহোম শাসনকালৰ বিভিন্ন দিশৰ কথা সুঁৱৰি বীৰ লাচিতৰ সাহস, ৰণকৌশল আৰু কৰ্মদক্ষতাৰ বিষয়ে সাৱলীল বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানতে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দোলন বৰাই লিখি উলিওৱা ‘লাচিত বৰফুকন’ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই দোলন বৰাৰ এই প্ৰয়াসৰ শলাগ লৈ গ্ৰন্থখনিয়ে সকলোকে উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। এই উপলক্ষে দিয়া ভাষণত তেওঁ শৰাইঘাটৰ যুদ্ধক এটা প্ৰতীক ৰূপে অভিহিত কৰি দেশ, জাতি, ভাষাৰ সংকটৰ সময়ত যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰিবলৈ সকলোকে সাজু হৈ থাকিব লাগিব বুলি মন্তব্য কৰে। এই যুদ্ধ বৌদ্ধিক, সাংস্কৃতিক, সাহিত্য আদি যিকোনো ক্ষেত্ৰতে হ’ব পাৰে বুলিও তেওঁ কয়। অনুষ্ঠানটোত শিক্ষাৰ্থী ছুনামি নাথৰ একক গীত, ময়ূৰী বৰুৱাৰ বক্তৃতা, গুঞ্জন গীত পৰাশৰৰ কবিতা আবৃত্তি, দলীয় নৃত্য, সমবেত গীত আৰু ‘মই ৰামসিংহই কৈছো’ শীৰ্ষক নাটিকাই বিশেষ মাত্ৰা প্ৰদান কৰে। আনহাতে আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিদ্যালয়ৰ প্ৰথমৰ পৰা চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ছবি আঁকা প্ৰতিযোগিতা আৰু পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা আয়োজন কৰা হয়। লাচিত দিৱসৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী অনুব্ৰত বৰঠাকুৰ আৰু কাংকান কাশ্যপে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। দিৱসটোৰ আহ্বায়িকা হিচাপে সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী চন্দনা মেধি চৌধুৰী।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়